যোগাযোগ কৰিব পাৰে।

# গড়গাঁও মহাবিদ্যালয়ত কৰ্মশালা

নিয়মীয়া বাৰ্তা, শিৱসাগৰ, ২৯ জুন ঃ গড়গাঁও মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক কলাৰ উৎকৰ্ষ সাধনৰ বাবে এখন দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। বিভাগীয় প্ৰধান মীনা ৰবিদাস আৰু সহকাৰী অধ্যাপকদ্বয় মহানন্দ তামুলী, ড° প্ৰিয়ংকা তামুলীৰ বিশেষ তৎপৰতাত অনুষ্ঠিত কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী পঞ্চমী শৰ্মা, চুভানা হাজৰিকাই। কৰ্মশালাত প্ৰথমদিনাৰ সমল ব্যক্তি পঞ্চমী শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৌন্দৰ্য-চৰ্চাৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনা চুভানা হাজৰিকাই আচাৰ প্ৰস্তুত প্ৰণালী সম্পৰ্কে প্ৰয়োজনীয় বিভিন্ন দিশ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে বিভাগে লোৱা পদক্ষেপক মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই বিশেষ শলাগ লয়।